জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিতম বছৰ, সংখ্যা ২০৬ ● বৃহস্পতিবাৰ ● ২১ চ'ত ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Thursday April 4, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

## হাৰমতীৰ কেন্দ্ৰীয় বহাগী বিদায় সন্মিলনৰ কাৰ্যালয় মুকলি

ৰদেৱা ঃ নিজা বাতৰি দিওঁতা, ল ঃ লখিমপুৰ জিলাৰ বৃহত্তৰ মতী অঞ্চলৰ হাৰমতী বিহু ৰিত হাৰমতী আঞ্চলিক যুৱক ৰ উদ্যোগত ৫, ৬ আৰু ৭ মে'ত দ্ৰীয়ভাৱে বহাগী বিদায় সন্মিলন যাপন কৰিবলৈ সিদ্ধান্ত কৰা ছ। অনন্ত নেওগক সভাপতি, ন্ত বৰাক কাৰ্যকৰী সভাপতি, ত ৰাজখোৱা আৰু কিৰণ দাসক ীয়া সম্পাদক হিচাপে লৈ যাপন সমিতিখন গঠন কৰে। পলক্ষে ৩৪ সংখ্যক কেন্দ্ৰীয় গী বিদায় সন্মিলনৰ মুখ্য কাৰ্যালয় জ মুকলি কৰে যুৱক সংঘৰ পতি প্ৰদীপ বৰাই। বিয়লি াধন কৰা সভাত উদ্‌যাপন তিৰ সভাপতি অনন্ত নেওগ দষ্টা দীপক বৰুৱা, চন্দ্ৰ ভূএগ, া ভূএগ, হেমন্ত বৰাই এইবছৰ কিছু নতুনত্ব অনাৰ প্ৰয়াস লৈ সমিতিক আহ্বান জনায়।

## ডিব্ৰুগড় সাহিত্য সভা আৰু কালাৰ্ছ ইনষ্টিটিউটৰ সম্বৰ্ধনা অনুষ্ঠান

লাহোৱাল ঃ নিজা সংবাদদাতা, ৩ এপ্ৰিল ঃ ডিব্ৰুগড় সাহিত্য সভাৰ ৰামধেনু উপ-সমিতি আৰু চাবুৱা কালাৰ্ছ ইনষ্টিটিউটৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা বিহুনাচ ,একক বিহু, সৰু বিহুৱতী আৰু বিহু নামৰ কৰ্মশালাৰ সামৰণি আৰু সম্বৰ্ধনা অনুষ্ঠান শুভাৰম্ভ কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই। তেওঁ কয় যে ভাষা, সাহিত্য,সংস্কৃতিৰ জৰিয়তেহে এটা জাতি আগুৱাই যাব পাৰে। প্ৰতি বছৰে ডিব্ৰুগড় সাহিত্য সভাই ডিব্ৰুগড়বাসীৰ উৎসাহৰ প্ৰতি লক্ষ্য ৰাখি বিহুৰ প্ৰকৃত লয়লাস, ভংগিমা আদিৰ পৰিৱেশন, উপস্থাপন সন্দৰ্ভত জ্ঞান নৱপ্ৰজন্মক আখৰা শিবিৰ জৰিয়তে দিবলৈ চেষ্টা কৰাৰ লগতে চলিত বৰ্ষত এইটো সাহিত্য সভাৰ তৃতীয়টো আখৰা শিবিৰ বুলি ভাষণত কয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা বিউটি লেখাৰু শইকীয়াই। অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'অসম সাহিত্য সভা সংবাদ পত্ৰৰ সম্পাদক গৌতম গগৈ, বিহু সুৰক্ষা সমিতিৰ জিলা সম্পাদক দীনেশ বৰগোহাঁই, সাংস্কৃতিক সম্পাদক প্ৰণৱজ্যোতি গগৈ, কেন্দ্ৰৰ সাংস্কৃতিক সেৱা মঞ্চ বিভাগৰ সহ অধিনায়ক শান্তনু শইকীয়া, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মৃদুল শৰ্মা, লাম ডিং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা আৰাধনা দত্ত, ডিব্ৰুগড় সাহিত্য সভাৰ বিত্তীয় সম্পাদক ভুবন জ্যোতি বৰুৱা, সাংগঠনিক সম্পাদক মীনাক্ষি দাস বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ আকাশ অনুষ্ঠানৰ আহ্বায়িকা তথা জ্যেষ্ঠ বিচাৰক ভাৰতী বৰুৱা দুৱৰা, বৃহত্তৰ ডিব্ৰুগড় নগৰ আঞ্চলিক সমিতিৰ প্ৰীতাঞ্জলি মেধি শৰ্মা। অনুষ্ঠানতে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, সাংবাদিক, শিক্ষক চন্দন ফুকন, সাহিত্যিক পেঞ্চনাৰ চাবুৱাৰ নৰেশ্বৰ হাজৰিকা আৰু কৃতী শিক্ষক ভাগ্যেশ্বৰ গগৈক ডিব্ৰুগড় সাহিত্য সভা আৰু কালাৰ্ছ ইনষ্টিটিউটৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰা বিহু বিচাৰক মিঠু দাস আৰু আন্তঃৰাষ্ট্ৰীয় নৃত্য শিৰোমণি বঁটাপ্ৰাপ্ত নৃত্য গুৰু বিউটি লেখাৰু শইকীয়াক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে কালাৰ্ছ ইনষ্টিটিউটৰ পৰিচালন সঞ্চালক অমল শইকীয়া, সহযোগী প্ৰশিক্ষক মুকুট ডাঙৰীয়াসহ বাদ্যযন্ত্ৰ সংগত কৰা হীৰক জ্যোতি দাস, বিতুৰাজ গোহাঁই, অমৰদীপ গোহাঁইক উদ্যোক্তাসকলৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হয়। আনহাতে, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক যাদৱ গগৈয়ে আঁত ধৰা অনুষ্ঠানতে চাবুৱা অঞ্চলৰ নৃত্য গীত,অভিনয়ৰ অন্যতম প্ৰতিষ্ঠান কালাৰ্ছ ইনষ্টিটিউটৰ তৰফৰপৰা একেটা অনুষ্ঠানতে ড° শশীকান্ত শইকীয়া আৰু জ্যেষ্ঠ সাংবাদিক ৰাতুল গোহাঁইক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত বিগত দিনকেইটাত আখৰাত অংশগ্ৰহণ কৰাসকলৰ দ্বাৰা কেইবাটাও সাংস্কৃতিক অনুষ্ঠান তথা বিহু পৰিৱেশন কৰে। ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা অৰ্পণা ফুকন দাসে আঁতধৰা অনুষ্ঠানত আখৰাত অংশগ্ৰহণকাৰীসকলকভাৱে মানপত্ৰ প্ৰদান কৰে উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে। আনহাতে, কৰ্মশালাৰ সামৰণি আৰু সম্বৰ্ধনা অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যকৰী সদস্যা বিতুমণি ফুকন, ডিব্ৰুগড় নগৰ আঞ্চলিক বিহু সুৰক্ষা সমিতিৰ উপ-সভাপতি তৰুণজ্যোতি ফুকন, নিতুলপ্ৰাণ শইকীয়া, কল্পনা কিৰণ কাশ্যপ, নিশা শেনচোৱা, ৰূপী ফুকন দিহিঙীয়া, দীপিকা বৰা, ভাৰতী কলিতা, মৌচুমী বৰ্মন, দীপালি শইকীয়া, বিহুৱতী বন্তিশিখা দাস, ৰীতা শইকীয়া দাস, সদৌ অসম লেখিকা সমাৰোহৰ ৰেণু ফুকন, ডিব্ৰুগড় লেখিকা সমাৰোহৰ লাকী চাংকাকতী, নীলিমা বৰদলৈ উপস্থিত থকা অনুষ্ঠানটো শলাগৰ শৰাই আগবঢ়ায় ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা অৰ্পণা ফুকন দাসে।



## শ্ৰীৰাম নৱমী উপ… ইস্কনৰ উদ্যোগত

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ এপ্ৰিল … শ্ৰীৰাম নৱমীৰ উপলক্ষে শ্ৰীৰাম ৰ… শ্ৰীৰামলালাৰ ভব্য মন্দিৰৰ প্ৰাণ প্ৰতি… লগত সংগতি ৰাখি ইস্কন ডিব্ৰুগড়ৰ … চহৰত মৰ্যাদা পুৰুষোত্তম ভগৱান … শ্ৰীৰামলালাৰ প্ৰতিমূৰ্তিৰ সৈতে এক… আয়োজন কৰিছে। আটক ধুনীয়াকৈ… হৈ ভগৱান শ্ৰীৰাম, লক্ষ্মণ, সীতা … খলিহামাৰীৰ এনভীক ল'ন্‌চৰ পৰা … চহৰৰ থানা চাৰিআলিৰ মাজেৰে … ফলবাগান হৈ গ্ৰেহেমবজাৰ তিনি…